# গোৱালপাৰাৰ পৰম্পৰাগত লোককৃষ্টি 'ভালুক নাচ' ঃ এটি চমু আলোকপাত

ড° প্ৰণীতা মহন্ত
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
বিকালী মহাবিদ্যালয়, ধূপধৰা, গোৱালপাৰা

**সংক্ষিপ্তসাৰঃ**
*ভাৰতৰ উত্তৰ-পূৱত অৱস্থিত অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। অসমত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰে স্বকীয় কৃষ্টি-সংস্কৃতি আছে। অসমৰ প্ৰায় সৰহ সংখ্যক লোক গাঁৱলীয়া, গ্ৰাম্যজীৱনেই অসমীয়াৰ প্ৰাণ। অসমৰ সংস্কৃতি এপিনে যেনেদৰে বৰ্ণাঢ্য, তেনেদৰে আঞ্চলিক বৈশিষ্ট্যযুক্তও। চহা সমাজত জন্ম লাভ কৰা বিভিন্ন আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বন আদি পৰম্পৰাগতভাৱে জনসমাজত প্ৰচলন আছে আৰু ইয়েই সেই সংস্কৃতিৰ ধ্বজা বহন কৰে।অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত গোৱালপাৰা এখন সাংস্কৃতিক দিশত চহকী জিলা। 'ভালুক নাচ' গোৱালপাৰাৰ পৰম্পৰাগত লোককৃষ্টিৰ এটি উজ্জ্বল নিদৰ্শন। গোৱালপাৰাৰ জনগনে আঘোণ মাহৰ পূৰ্ণিমা তিথিৰ দিনা ৰাতি ভাগত 'ভালুক নাচ' উদ্‌যাপন কৰে। এই অনুষ্ঠানত কোনো এজন চেমনীয়া ল'ৰাই শুকান কলপাত, মৰাপাট আদিৰে ভালুকৰ ভাও লৈ নাচে আৰু অন্য ল'ৰাবোৰে ভালুকটোক মাজত লৈ গীত গাই গাই ঘূৰি ঘূৰি নাচে। লোকবিশ্বাস আছে যে এই উৎসৱৰ পৰা অৰ্থাৎ আঘোণৰ পূৰ্ণিমাৰ পিছৰ পৰা খেতি পথাৰত ভালুকৰ উপদ্ৰপ কমি যায়। তদুপৰি চহালোকে বিশ্বাস কৰে যে ভালুক নচুওৱা ল'ৰাবোৰক সন্তুষ্ট কৰিব পাৰিলে গৃহস্থৰ মনোবাঞ্ছা পূৰণ হয়। আমাৰ এই আলোচনা পত্ৰখন "গোৱালপাৰাৰ পৰম্পৰাগত লোককৃষ্টি 'ভালুক নাচ' ঃ এটি চমু আলোকপাত" শীৰ্ষ নামেৰে গোৱালপাৰাত প্ৰচলিত 'ভালুক নাচ'ৰ বিষয়ে চমুকৈ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হব।*

**বীজ শব্দঃ** *পৰম্পৰাগত লোককৃষ্টি, আঘোণ মাহ, ভালুক নাচ, মাগন অনুষ্ঠান।*

**অৱতৰণিকাঃ**

'ভালুক নাচ' গোৱালপাৰাৰ পৰম্পৰাগত লোককৃষ্টিৰ এটি উজ্জ্বল নিদৰ্শন। বস্তুতে এই নাচক আদিম মানৱৰ চিকাৰ প্ৰবৃত্তিৰ এটি ৰূপ হিচাপে অভিহিত কৰিব বিচাৰে। ভালুক নাচ অনুষ্ঠিত হোৱা মাহ আৰু দিনৰ ক্ষেত্ৰত পণ্ডিতসকলৰ মাজত মতভেদ আছে। অৱশ্যে অধিক সংখ্যক পণ্ডিতে আঘোণ মাহৰ পূৰ্ণিমা তিথিৰ দিনা ৰাতি ভাগত ভালুক নচুওৱা উৎসৱ পালন কৰাৰ কথা ব্যক্ত কৰিছে। ভালুক নাচৰ অনুষ্ঠান পুৰুষকেন্দ্ৰিক অনুষ্ঠান আৰু ইয়াত নাৰীৰ অংশগ্ৰহণ দেখা নাযায়। এই অনুষ্ঠানক 'মাগন অনুষ্ঠান' বুলিও কয়। কিয়নো চেমনীয়াহঁতে এই ভালুক নাচ দেখুৱাই গৃহস্থৰ পৰা টকা নতুবা ধান সংগ্ৰহ কৰে আৰু ভোজভাত খায়। 'ভালুক নাচ' লোককৃষ্টিৰ সৈতে নামনি অসমৰ কোনো কোনো অঞ্চলত প্ৰচলিত 'মহোহো' লোকঅনুষ্ঠানৰ কিছু মিল দেখা যায়। গোৱালপাৰা জিলাত 'ভালুকনাচ'ৰ অতীত পৰম্পৰা আজিও বিদ্যমান। এই অনুষ্ঠানত কোনো এজন চেমনীয়াই শুকান কলপাত, মৰাপাট আদিৰে ভালুকৰ ভাও লৈ নাচে। বাকীবোৰে তাক মাজত লৈ গীত গাই গাই ঘূৰি ঘূৰি নাচে। লোকবিশ্বাস আছে যে এই উৎসৱৰ পৰা অৰ্থাৎ আঘোণৰ পূৰ্ণিমাৰ পিছৰ পৰা খেতি পথাৰত ভালুকৰ উপদ্ৰপ কমি যায়। তদুপৰি চহালোকে বিশ্বাস কৰে যে ভালুক নচুওৱা ল'ৰাবোৰক সন্তুষ্ট কৰিব পাৰিলে গৃহস্থৰ মনোবাঞ্ছা পূৰণ হয়। আমাৰ এই আলোচনা পত্ৰখন"**গোৱালপাৰাৰ পৰম্পৰাগত লোককৃষ্টি 'ভালুক নাচ' ঃ এটি চমু আলোকপাত** " শীৰ্ষ নামেৰে গোৱালপাৰাত **প্ৰচলিত ভালুক নাচৰ বিষয়ে চমুকৈ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।**

**অধ্যয়নৰ উদ্দেশ্যঃ**

গোৱালপাৰাত প্ৰচলিত লোককৃষ্টি 'ভালুক নাচৰ' ৰ বিষয়ে পদ্ধতিগত অধ্যয়ন হোৱা দৃষ্টিগোচৰ হোৱা নাই। বৰ্তমানলৈ যিখিনি অধ্যয়ন হৈছে সেয়া পৰ্যাপ্ত নহয়। এইবোৰ বৰ্তমানেও অসংৰক্ষিত অৱস্থাতেই আছে। সেয়েহে এই সমলসমূহ সংগ্ৰহ কৰি প্ৰণালীবদ্ধকৰণৰ জৰিয়তে সংৰক্ষণ কৰা তথা বিদ্বান সমাজক বিশেষকৈ নৱপ্ৰজন্মক ' ভালুক নাচৰ' ৰ বিষয়ে অৱগত কৰোৱাই এই অধ্যয়নৰ উদ্দেশ্য।

**অধ্যয়নৰ সমল সংগ্ৰহঃ**

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে গৌণ উৎসৰ পৰা সমল সংগ্ৰহ কৰা হৈছে। গৌণ উৎসৰ ভিতৰত গৱেষণাধৰ্মী গ্ৰন্থ, প্ৰবন্ধ, আলোচনী আদিৰ সহায় লোৱা হৈছে।

**অধ্যয়নৰ পদ্ধতিঃ**

গৱেষণা পত্ৰখন বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগেৰে যুগুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ**

গৱেষণা পত্ৰখনৰ অধ্যয়নৰ পৰিসৰ গোৱালপাৰা জিলাৰ ভিতৰতে সীমাবদ্ধ ৰখা হৈছে।

**আলোচনাঃ**

ভাৰতৰ উত্তৰ-পূৱত অৱস্থিত অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। অসমত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰে স্বকীয় কৃষ্টি-সংস্কৃতি আছে। অসমৰ লোক গাঁৱলীয়া, গ্ৰাম্যজীৱনেই অসমীয়াৰ প্ৰাণ। অসমৰ সংস্কৃতি এপিনে যেনেদৰে বৰ্ণাঢ্য, তেনেদৰে আঞ্চলিক বৈশিষ্ট্যযুক্তও। চহা সমাজত জন্ম লাভ কৰা বিভিন্ন আচাৰ-অনুষ্ঠান, উৎসৱ-পাৰ্বন আদি পৰম্পৰাগতভাৱে জনসমাজত প্ৰচলন আছে আৰু ইয়েই সেই সংস্কৃতিৰ ধ্বজা বহন কৰে।অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত গোৱালপাৰা এখন সাংস্কৃতিক দিশত চহকী জিলা। 'ভালুক নাচ' গোৱালপাৰাৰ পৰম্পৰাগত লোককৃষ্টিৰ এটি উজ্জ্বল নিদৰ্শন। বস্তুতে এই উৎসৱক আদিম মানৱৰ চিকাৰ প্ৰবৃত্তিৰ এটি ৰূপ হিচাপে অভিহিত

কৰিব বিচাৰে। ইয়াক জনবিশ্বাসৰ এটা ধাৰা হিচাপেও অভিহিত কৰিব পাৰি। গোৱালপাৰাত 'ভালুক নাচ' অনুষ্ঠিত হোৱা মাহ আৰু দিনৰ ক্ষেত্ৰত পণ্ডিতসকলৰ মাজত মতভেদ আছে যদিও অধিক সংখ্যক পণ্ডিতে আঘোণ মাহৰ পূৰ্ণিমা তিথিৰ দিনা ৰাতি ভাগত ভালুক নচুওৱা উৎসৱ পালন কৰাৰ কথা ব্যক্ত কৰিছে। ভালুক নাচৰ অনুষ্ঠান পুৰুষকেন্দ্ৰিক অনুষ্ঠান আৰু ইয়াত নাৰীৰ অংশগ্ৰহণ নাই। অনেকে এই অনুষ্ঠানক 'মাগন অনুষ্ঠান' বুলিও ক'ব খোজে। কিয়নো চেমনীয়াহঁতে 'ভালুক নাচ' পৰিৱেশন কৰি গৃহস্থৰ পৰা টকা- পইচা নতুবা ধান সংগ্ৰহ কৰে আৰু ভোজভাত খায়।

এই অনুষ্ঠান পৰিৱেশনৰ সময়ত এজন ডেকা ল'ৰাক শুকান কলপাত আৰু মৰাপাটৰ আঁহেৰে ভালুকৰ অনুৰূপ সজায় আৰু ভালুকৰ অংগী-ভংগীৰে তাক মাজত ৰাখি নচুৱাই আৰু নিজেও নাচে। এই নাচ পৰম্পৰাগতভাৱে চলি আহিছে। অতীজতে খেতিপথাৰৰ চৌকাযে অৰণ্য আছিল। আঘোণ মাহৰ সময়ত বনৰীয়া ভালুকবোৰে আহি পকা ধান, সৰিয়হ আদি খাই টহিলং কৰিছিল। তেওঁলোকৰ দৃঢ় বিশ্বাস আছিল যে ভালুক নাচৰ অনুষ্ঠান কৰিলে ভালুকে আহি খেতিৰ পকা ধান, সৰিয়হ আদি খাই নষ্ট নকৰে। সেয়ে এই গীতক 'ভালুকখেদা' গীতো বোলে। এই অনুষ্ঠান উপলক্ষে কোনো পূজাৰ ব্যৱস্থা কৰা নহয়।"[১]

লোকসংস্কৃতিবিদ প্ৰফুল্ল দত্ত গোস্বামীয়ে 'ভালুক নাচ' সন্দৰ্ভত এনেদৰে লিখিছে — In southern Goalpara the Rabhas have the Bhaluk or Bear dance, the bear being dressed in dried banana leaves what importance the bear has in a mosquito driving campaign. It is difficult to explain, but that the boys have considerable fun and some rice and money can not be denied.[২]

মণি ৰাভাই ভালুক নাচৰ বিষয়ে এনেদৰে লিখিছে— "আজিকালিৰ চেমনীয়াহঁতে নিজৰ মাজৰে এজনক ক'লা কাপোৰ আৰু ভালুকৰ মুখা পিন্ধাই ভালুক সজাই লৈ তাৰেই ভালুক নাচোন খেল দেখুৱাই গীত গায়। এই গীতবোৰ গোৱালপৰীয়া থলুৱা ভাষাত ৰচিত। ভালুক নাচ ৰাতি গৃহস্থৰ ঘৰে ঘৰে গৈ গৃহস্থৰ ঘৰৰ চোতালত পৰিৱেশন কৰে। গতিকে ভালুক নাচৰ বাবে আচুতীয়া কোনো মঞ্চৰ প্ৰয়োজন নহয়, গৃহস্থৰ চোতালখনে তেওঁলোকৰ বাবে মঞ্চৰ কাম কৰে। নাচ-গান শেষ হ'লে গৃহস্থক আশীৰ্বাদ দি দলটি আন এঘৰলৈ যায়। ভালুক নাচৰ গীতবোৰ চাৰিশাৰীত ৰচিত। তাৰে প্ৰথম দুশাৰী প্ৰাকৃতিক বৰ্ণনা আৰু পিচৰ দুশাৰীত বিষয়বস্তুৰ ব্যাখ্যা পোৱা যায়।"[৩]

**ভালুক নচুওৱা গীত ঃ** মহো-হো উৎসৱৰ দৰে ভালুক নচুওৱা উৎসৱ নৃত্য-গীতৰ সংযোগত সৃষ্টি হোৱা ঋতুকালীন উৎসৱ। এই উৎসৱৰ গীতবোৰো সহজ-সৰল। ভালুক নাচৰ গীতবোৰ পৰম্পৰাগতভাৱে জনসাধাৰণৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। এই গীতবোৰৰ বেছি অংশই কৌতুকপূৰ্ণ। গৃহস্থৰ অৱস্থা আৰু পৰিস্থিতিলৈ লক্ষ্য কৰি পৰিৱেশকসকলে থিতাতে গীতৰ অংশ ৰচনা কৰি সংযোগ কৰি দিয়ে। গীতবোৰৰ সাহিত্যিক সৌন্দৰ্যৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নহয়, যদিও গীতসমূহৰ মাধুৰ্য আৰু সাংগীতিক সুৰে সকলোকে আকৰ্ষিত কৰে। গীত পৰিৱেশন কৰোঁতে প্ৰথমে মূল গায়কজনে লগাই দিয়ে আৰু পাছতহে বাকীবোৰে ধৰে। গোৱালপাৰাত প্ৰচলিত ভালুক নাচৰ গীতৰ কেইফাঁকি মান দিয়াৰ প্ৰয়াস কৰা হ'ল ঃ

ভালুক নচুওৱা দলটোৱে পোনতে গৃহস্থৰ নঙলামুখত গায় —

ওলাওৰে গিৰিঘৰ
ছাতি পোহৰ দিয়া
আমাৰ ভালুক নাচন দে

কোমৰ হেলান দিয়া।

গীত গাই গাই দলটিয়ে পৰিচয় দি গায় —

তেতেলিৰে গুটিনা
ভীম কলৰ গুটি
চিনে না নিচিনে
ঠেকাছ গায়া গুটি।

গৃহস্থক ব্যংগ কৰি গায় —

কলপাত ঝিলি লিউ
ৰাতি কুকুৰ ভুকে
ছাওয়া নাই ছোট নাই
প্ৰাণ পাটি থাকে।

টকা নিদিয়া যেন পালে গৃহস্থক নিন্দা কৰি যায় —

বাঙাল পন্টাত আছেৰে ভাই
বৰ ইংকৰা
এ গিৰি মানুষটা
বৰ চিপিৰা

গৃহস্থই টকা দিয়া যেন পালে গায়—

'কাঁঠলৰে মুচিৰে ভাই
কাঁঠলৰে মুচি;
ভাল কৰিয়া ভিক্ষা দিবি
আমি যাও গুচি।'

টকা লৈ যোবাৰ সময়ত ৰসপূৰ্ণ ভংগীৰে গায় —

'নদী কোলাত উৰিয়া যায়
বগা বগিলা
ভালুক নাচন চাই যদি
আয় গধূলা।৪ ইত্যাদি

গোৱালপাৰাৰ ভালুক নাচৰ গীতবোৰ চুটি চুটি আৰু বহুধা বিভক্ত। ভালুক নাচুওৱা দলটিয়ে স্তৰে স্তৰে গীতবোৰ পৰিবেশন কৰি যায়। গীতৰ উক্তিবোৰত কথাবস্তুৰ অসংলগ্ন ৰূপ এটি দেখা যায় যদিও ইয়াৰ এটি ছন্দযুক্ত সুৰ আছে। এই অসংলগ্ন ৰূপৰ মাজতো ছন্দৰ মাধুৰ্য্য আৰু সাংগীতিক সুৰে সকলোকে আকৰ্ষণ কৰে।

'ভালুক নাচ' ৰ লগত দক্ষিণ কামৰূপত প্ৰচলিত 'মহোহো উৎসব'ৰ কিছু সাদৃশ্য পৰিলক্ষিত হয়। কিন্তু ইয়াৰ লগত পৰিবেশিত গীত আৰু তাৎপৰ্যৰ সাদৃশ্য দেখা নাযায়। অৱশ্যে ভালুক সজোৱাটো দুয়ো ঠাইতে একে। ভালুক নাচ গোৱালপাৰাৰ পৰম্পৰাগত লোককৃষ্টিৰ ই এটি উজ্জ্বল নিদৰ্শন।

**সামৰণিঃ**

গোৱালপাৰাৰ লোককৃষ্টিৰ পথাৰ খনত 'ভালুক নাচ' কৃষ্টিয়ে এখন সুকীয়া আসন দখল কৰি আছে। বৰ্তমান কালত আধুনিকতা তথা বিশ্বায়নৰ প্ৰভাৱে মানুহৰ জীৱন ধাৰণৰ পদ্ধতি সলনি কৰি পেলাইছে আৰু মানুহে নিজৰ সভ্যতা-সংস্কৃতিৰ পৰা বহুখিনি আতৰি আহিব ধৰিছে। ফলস্বৰূপে আমাৰ সমাজৰ যিবোৰ পৰম্পৰাগত উৎসৱ-অনুষ্ঠান আছে, সেইবোৰ আমাৰ সমাজৰ পৰা লুপ্ত হৈ হৈ যোৱাৰ উপক্ৰম হৈছে। সময় থাকোতে এইবোৰ লোকসংস্কৃতিৰ সম্পদ সংৰক্ষণ কৰিব লাগে।

'ভালুক নাচ'ৰ নৃত্য-গীত চেমনীয়া ল'ৰাৰ ধেমেলীয়া গীত যদিও লোকসংস্কৃতিৰ ক্ষেত্ৰখনত ইয়াৰ স্থান সুকীয়া। জনসাধাৰণৰ জীৱনত এই গীতৰ প্ৰভাৱ অপৰিসীম। সময়ৰ পৰিবৰ্তনৰ লগে লগে এইবোৰ কৃষ্টি-সংস্কৃতিৰ চৰ্চা কমি গৈছে যদিও ইয়াৰ মূল্য কমি যোৱা নাই।

**পাদটীকাঃ**

১. ৰাভা, ৰাজেন ঃ *ৰাভা জনজাতি*, পৃ. ১৬১-১৬২
২. **Goswami, Praphulladutta : Festivals of Assam, 2015, p. 75**
৩. ৰাভা, মণি ঃ *ৰাভা সংস্কৃতিৰ ধাৰা*, পৃ. ৬১
৪. ৰাভা, মণি ঃ *ৰাভা সংস্কৃতিৰ ধাৰা*, পৃ. ৬১-৬৫
৫. ৰাভা, ৰাজেন ঃ উক্ত গ্ৰন্থ, পৃ. ১৬২-১৬৩

**গ্ৰন্থপঞ্জীঃ**


- খাখলাৰী, জ্ঞানশংকৰ ঃ লোকসংস্কৃতিত এভুমুকি, সেউজী প্ৰকাশন, ধূপধৰা, প্ৰথম প্ৰকাশ,১৯৯০
- দাস, দীপামণি (সম্পা)ঃ অসমৰ লোক পৰিৱেশ্য কলা,প্ৰথম খণ্ড, পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৮
- নাথ ,অনিল কুমাৰ ঃ ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপৰ সাহিত্য আৰু সংস্কৃতি, অংকিতা প্ৰকাশ,
- দ্বিতীয় সংকলন, ২০০২
- ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, বীণা লাইব্ৰেৰী, পাণবজাৰ , গুৱাহাটী , প্ৰথম প্ৰকাশ, ১৯৭৪
- ৰাভা, মণি ঃ ৰাভা সংস্কৃতিৰ ধাৰা,গোৱালপাৰা, প্ৰথম প্ৰকাশ, ১৯৭৫
- ৰাভা, ভূবিনঃ ৰাভা জনজাতি আৰু সংস্কৃতিৰ আভাস, ছয়গাঁও, কামৰূপ,প্ৰথম প্ৰকাশ, ২০১২
- শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, পাণবজাৰ, গুৱাহাটী,প্ৰথম প্ৰকাশ, ১৯৮৯
- শৰ্মা, নবীন চন্দ্ৰ ঃ ভাৰতৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা, বনলতা, পাণবজাৰ,গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৯

**English:**

1. Dutta, Birendranath : A Study of the Folk Culture of the Goalpara Region of Assam, 1990
2. Goswami, Praphulladatta: Festivals of Assam, ABILAC, Guwahati.


❑ ❑ ❑